1. Name of the Programme : **Special lecture programme on Ashomiya Prakriti Sahitya.**

2. Date : 16/09/2022

3. In connection with observation of : ………………… Day (If any)

4. Organized by : Department of Assamese, B.N. College, Dhubri

5. Name of Resource person/judges : **Soumyadeep Dutta, Eminent Writer & Naturalist.**

6. Number of participants/students : 118

7. Name, Class, Roll no of the winners : N/A

8. A brief write up of the programmme (with web snaps/phots):

Department of Assamese, B.N. College, Dhubri Organised **a Special lecture programme on Ashomiya Prakriti Sahitya.** The Special Lecture Programme was inaugurated by Dr. Dhruba Chakraborty, Principal, B.N. College, Dhubri. Dr. Upendrajit Sarma, Magazine Editor, Asam Sahitya Shabha & HOD, Department of Assamese acted as the anchor of the programme. The keynote lecture was delivered by **Soumyadeep Dutta, Eminent Writer & Naturalist**. Participating in the lecture programme, Associate Professor Dr. Karuna Kanta Das & Dr. Alaka Sarma, Assistant Professor Dr. Poli Bezbaruah, Saiful Hasan, Deboshri Rai, and hundreds of students participated. The meeting concluded with a national anthem performance.









# ধুবুৰী ভোলানাথ কলেজত বক্তৃতা অনুষ্ঠান

**আমাৰ খবৰ, বালাজান, ১৮ ছেপ্টেম্বৰ ঃ** ধুবুৰী ভোলানাথ মহাবিদ্যালয়ত ১৬ ছেপ্টেম্বৰত অসমীয়া বিভাগৰ উদ্যোগত অসমীয়া প্ৰকৃতি সাহিত্য শীৰ্ষক এক বিশেষ বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয়। বিশেষ বক্তৃতা অনুষ্ঠানটো উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱ চক্ৰৱৰ্তীয়ে। ভাষণ প্ৰসংগত ড° ধ্ৰুৱ চক্ৰৱৰ্তীয়ে কয়ঃ 'সাহিত্য কেৱল গল্প, কবিতাই নহয়। সময়ৰ লগে লগে সাহিত্যৰ পৰিৱেশ, পৰিস্থিতি সলনি হৈ আহিছে।' মুখ্য বক্তৃতা প্ৰদান কৰে প্ৰকৃতিবিদ তথা সাহিত্যিক সৌম্যদীপ দত্তই। বক্তৃতা প্ৰদান কৰি দত্তই কয়ঃ 'সম্প্ৰতি সাহিত্যত প্ৰকৃতিৰ বিষয়টো জনপ্ৰিয় হৈ পৰিছে। প্ৰাচীন কালৰ পৰাই আমাৰ সাহিত্যত প্ৰকৃতিৰ চিত্ৰন হৈ আহিছে। প্ৰকৃতিৰ চিত্ৰন হ'লেই সি প্ৰকৃতি সাহিত্য নহয়। প্ৰকৃতি চিত্ৰনৰ লগতে প্ৰকৃতি সংৰক্ষণৰ কথা, দিহা পৰামৰ্শ থাকিলেহে সেই শ্ৰেণীৰ সাহিত্য প্ৰকৃতি সাহিত্য হিচাপে বিবেচিত হ'ব।' অনুষ্ঠানটো পৰিচালনা আৰু সভাপতিত্ব কৰে ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তথা অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাই। ভাষণ প্ৰসংগত ড° শৰ্মাই মাধৱ কন্দলি, শংকৰদেৱৰ দিনৰ পৰা বৰ্তমান পৰ্যন্ত অসমীয়া সাহিত্যত প্ৰকৃতিৰ চিত্ৰনৰ সম্যক ধাৰণা দাঙি ধৰে। অনুষ্ঠানটোত অসমীয়া বিভাগৰ ড° কৰুণা কান্ত দাস, ড° অলকা শৰ্মা, ড° পলী বেজবৰুৱা ,ছাইফুল হাচান, দেৱশ্ৰী ৰায় , দৰ্শন বিভাগৰ অধ্যাপিকা, নৱনীতা দেৱী প্ৰমুখ্যে দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। জাতীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি পৰে।

## কবিতা পুথি উন্মোচন

**আমাৰ খবৰ, পাটাছাৰকুছি, ১৮ ছেপ্টেম্বৰ ঃ** পাঠশালা ভট্টদেৱ নগৰ নিবাসী তথা পশ্চিম হলংবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ৰঞ্জিতা দাসে ৰচনা কৰা 'বৰ্ণিল প্ৰতিশ্ৰুতিৰ বন্যা' নামৰ কবিতাপুথি এখন বজালী জিলা উপায়ুক্ত কাৰেবী বি শৰ্মাই উন্মোচন কৰে।

## জাগীৰোড কলেজৰ নৱাগত আদৰণী সভা

